# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত সৰ্ববৃহৎ Globel Mobility Expo উদ্বোধন কৰিব।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

৪। পশ্চিমবংগৰ পশ্চিম মেদিনীপুৰ জিলাৰ মিদনাপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ উপাধ্যক্ষ আৰু অধীক্ষককে ধৰি ১২ গৰাকী চিকিৎসকক কৰ্তব্যত গাফিলতিৰ অভিযোগত নিলম্বন কৰা হৈছে।

*আৰু*

৫। আই এছ্ এল ফুটবল প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাৱ এফ চি আৰু মুম্বাই চিটীৰ মাজৰ খেলখন ১-১ গলত অমীমাংসিত হৈ ৰয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰিব। বিশ্ব দবা চেম্পিয়ন দি গুকেশ, পেৰিছ্ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ্ পেৰালিম্পিকত স্বৰ্ণ পদক বিজেতা প্ৰবীন কুমাৰক মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব। ক্ৰীড়াৰ ক্ষেত্ৰত বিগত ৪ বছৰত আগবঢ়োৱা অনন্য প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক এই বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৩২ গৰাকী খেলুৱৈক অৰ্জুন বঁটা প্ৰদান কৰা হ'ব। অৰ্জুন বঁটা লাভ কৰা খেলুৱৈসকলৰ ভিতৰত – এথলিট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নীতু আৰু ছৱিটী, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক, সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং, পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলিট প্ৰীতি পল, জীৱানজী দিপ্তী, অজিত সিং আৰু শচীন খিলাড়ী অন্যতম। প্ৰবীন এথলিট ছুচা সিং আৰু প্ৰবীন পেৰা সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰক জীৱনজোৰা সাধনাৰ বাবে অৰ্জুন বঁটাৰে সন্মানিত কৰা হ'ব। একেদৰে পেৰা শ্বুটিঙৰ প্ৰশিক্ষক সুভাষ ৰানা, শ্বুটিং প্ৰশিক্ষক দীপালি দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সনদ্বীপ চঙৱান, বেডমিণ্টন প্ৰশিক্ষক এছ্ মুৰুলীধৰণ আৰু ফুটবল প্ৰশিক্ষক আৰমাণ্ডো এগনেলো ক'লাকোক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত সৰ্ববৃহৎ Globel Mobility Expo অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় সচলতা মেলা উদ্বোধন কৰিব। এই মেলাৰ মূল বিষয়বস্তু হৈছে সীমাৰ উৰ্ধত ঃ ভৱিষ্যতৰ মটৰগাড়ী মূল্য শৃংখলাৰ সহ নিৰ্মাণ। এই দৃষ্টিভংগীৰ মূল উদ্দেশ্যে হৈছে বহনক্ষম আৰু অত্যাধুনিক কাৰিকৰী অগ্ৰগতিত গুৰুত্ব আৰোপ কৰি মটৰগাড়ী আৰু আহ-যাহ ক্ষেত্ৰত সহযোগিতা আৰু উদ্ভাৱনৰ প্ৰসাৰ সাধন কৰা।

০০০০০

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়ান্তোই এইবেলি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে ৰাষ্ট্ৰপতিগৰাকী অহা ২৫ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰৰ অক্টোবৰত ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এয়া হ'ব শ্ৰীছুবিয়ান্তোৰ প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পুংখানুপুংখ পৰ্যালোচনা চলোৱাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। কৌশলগত অংশীদাৰ হিচাপে ইণ্ডোনেছিয়া ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ ৰূপে বিবেচিত হৈ আহিছে।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। এইবাৰৰ নিৰ্বাচনৰ বাবে বৰ্তমানলৈকে মুঠ ৮৪১ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে সোমবাৰলৈকে মনোনয়ন প্ৰত্যাহ্বাৰ কৰিব পাৰিব। দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৭০ খন আসনৰ ভিতৰত ৬৮ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিজেপিয়ে বাকী দুখন আসন এন ডি এ মিত্ৰজোঁটৰ সহযোগী দল জে ডি ইউ আৰু লোক জনশক্তি পাৰ্টীৰ ৰামবিলাস গোটক এৰি দিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অৰুণ সিঙে কৈছে, যে জে ডি ইউয়ে বুৰাৰী বিধানসভা আসনখনৰ পৰা প্ৰাৰ্থী থিয় কৰোৱাৰ লগতে লোকজনশক্তি পাৰ্টীয়ে দেওলি আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে কাইলৈৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫০ হাজাৰৰো অধিক গাঁৱৰ সম্পত্তিৰ স্বত্বাধিকাৰীক স্বামিত্ব আঁচনিৰ অধীনত ৬৫ লাখৰো অধিক সম্পত্তি কাৰ্ড বিতৰণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জৰীপৰ বাবে অত্যাধুনিক ড্ৰোণ প্ৰযুক্তিৰ মাধ্যমেৰে পৰিয়ালসমূহক অধিকাৰৰ অভিলেখ প্ৰদান কৰি গ্ৰামাঞ্চলৰ আৰ্থিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই আঁচনিখন আৰম্ভ কৰিছে। আঁচনিখনে সম্পত্তিৰ মুদ্ৰাকৰণত সুবিধা প্ৰদান কৰাৰ লগতে বেংক ঋণৰ জৰিয়তে প্ৰতিষ্ঠানগত ঋণ লাভৰ পথ সুগম কৰি তোলে। ইয়াৰ উপৰি সম্পত্তি সম্পৰ্কীয় বিবাদ হ্ৰাস কৰাত সহায় কৰে আৰু গ্ৰামাঞ্চলত সম্পত্তিৰ মূল্যায়ন তথা সম্পত্তি কৰ সংগ্ৰহ সুচল কৰি তোলে।

বৰ্তমানলৈকে ১৩ লাখ ১৭ হাজাৰৰো অধিক গাঁৱৰ ড্ৰোণ জৰীপ সম্পূৰ্ণ হৈছে আৰু এই সংখ্যা নিৰ্ধাৰিত লক্ষ্যৰ প্ৰায় ৯২ শতাংশ। আঁচনিখনৰ অধীনত এতিয়ালৈকে ১ লাখ ৫৩ হাজাৰৰো অধিক গাঁৱৰ বাবে প্ৰায় ২ কোটি ২৫ লাখ সম্পত্তি কাৰ্ড প্ৰস্তুত কৰি উলিওৱা হৈছে। পুডুচেৰী, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, ত্ৰিপুৰা, গোৱা, উত্তৰাখণ্ড আৰু হাৰিয়ানাত এই আঁচনিৰ কাম সম্পূৰ্ণ হৈছে। মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, ছত্তিশগড় আৰু কেইবাখনো কেন্দ্ৰীয়শাসিত অঞ্চলতো ড্ৰোণ জৰীপ সম্পন্ন হৈছে।

০০০০০

পশ্চিমবংগৰ পশ্চিম মেদিনীপুৰ জিলাৰ মিদনাপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত এটি শিশু জন্ম দিয়াৰ পাছত মৃত্যু হোৱা মহিলাগৰাকীৰ অস্ত্ৰোপচাৰৰ সময়ত মানবিশিষ্ট কাৰ্য সম্পাদন বিধি পালন নকৰাৰ অভিযোগত হাস্পতালখনৰ উপাধ্যক্ষ আৰু অধীক্ষকক ধৰি ১২ গৰাকী চিকিৎসকক নিলম্বন কৰা হৈছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি প্ৰকাশ কৰা মতে ঘটনা সন্দৰ্ভত ৰাজ্যখনৰ স্বাস্থ্য বিভাগে ৰুজু কৰা এটা অভিযোগৰ ভিত্তিত এখন এজাহাৰ দাখিল কৰা হৈছে আৰু চি আই ডি-এ এটা ফৌজদাৰী গোচৰ ৰুজু কৰিছে। ১৩ জনীয়া সদস্যৰ এখন কমিটী আৰু চি আই ডি-এ ইতিমধ্যে ইয়াৰ তদন্ত প্ৰতিবেদন দাখিল কৰিছে। মুখ্যমন্ত্ৰীয়ে মহিলাগৰাকীৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি তিনিদিনীয়া কাৰ্যসূচীৰে লাক্ষাদ্বীপলৈ যাব। উপ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত শ্ৰীধনখড়ৰ এয়া হ'ব প্ৰথম লাক্ষাদ্বীপ ভ্ৰমণ। এই ভ্ৰমণৰ সময়ত শ্ৰীধনখড়ে এখন জনসভাত অংশগ্ৰহণ কৰাৰ লগতে কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ উপৰি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে বিভিন্ন আত্মসহায়ক গোটৰ সদস্য আৰু হিতাধিকাৰীৰ সৈতেও মত বিনিময় কৰিব।

০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে ৰাজস্থানৰ তিনিখন বিশ্ববিদ্যালয়ক ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ পৰা পৰৱৰ্তী ৫ বছৰৰ বাবে পি এইচ ডি শিক্ষাৰ্থীৰ নাম পঞ্জীয়ন কৰাৰ পৰা বাৰণ কৰিছে। এই বিশ্ববিদ্যালয় ৩ খন হৈছে- OPJS বিশ্ববিদ্যালয়, ছানৰাইজ বিশ্ববিদ্যালয় আৰু ছিংঘানিয়া বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয় কেইখনে পি এইচ ডিৰ বাবে থকা নীতি-নিৰ্দেশনা পালন নকৰা বুলি আয়োগৰ স্থায়ী কমিটিয়ে তথ্য লাভ কৰাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

জনসাধাৰণৰ বাবে পথ সুৰক্ষা সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ বুলি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। INDIAN ROADS@ 2030 : THE SAFE SPACE শীৰ্ষক পথ সুৰক্ষা বিষয়ক দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ প্ৰায় ৬৬ শতাংশই হৈছে ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ ভিতৰৰ। চৰকাৰে বাহনৰ পাছৰ আসনত বহা লোকেও ছিটবেল্ট ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰাৰ কথা দোহাৰি শ্ৰী গাডকাৰীয়ে ইলেকট্ৰনিক ব্ৰেকিং ছিষ্টেমৰ দৰে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে পথ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত হ'ব পৰা পৰিস্থিতি তথা পথ সুৰক্ষা নিশ্চিত কৰণৰ যাৱতীয় ব্যৱস্থা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিভাগীয় বিষয়াসকলক আহ্বান জনায়।

ooooo

আই এছ এল ফুটবল প্ৰতিযোগিতাত কালি নিশা নতুন দিল্লীৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত পাঞ্জাৱ এফ চি আৰু মুম্বাই চিটীৰ মাজৰ খেলখন ১-১ গলত ড্ৰ হয়। প্ৰতিযোগিতাৰ পইণ্ট তালিকাত মুম্বাই চিটী এফ চি ২৪ পইণ্টেৰে ষষ্ঠ স্থানত আৰু পাঞ্জাৱ এফ চি ২০ পইণ্টেৰে অষ্টম স্থানত আছে। প্ৰতিযোগিতাত আজি জামছেদপুৰৰ জে আৰ ডি টাটা স্পৰ্টছ কম্পলেক্সত জামছেদপুৰ এফ চি, মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**